# শুভঙ্কৰী

## ২৬ সংখ্যক চপাই সাৰ্বজনীন শাৰদীয় শ্ৰীশ্ৰী দুৰ্গাপূজা

## ৰূপালী জয়ন্তী সামৰণি বৰ্ষ



লক্ষীকান্ত শৰ্মা
নৰ কুমাৰ শৰ্মা
সম্পাদক

# তন্ত্ৰ, তন্ত্ৰসম্পৰ্কত ভ্ৰান্ত ধাৰণা আৰু যীশুখ্ৰীষ্টৰ তন্ত্ৰ সাধনা

ড° পৰিমল কুমাৰ দত্ত

ধৰ্মীয় আৰু দাৰ্শনিক অভিধানত আটাইতকৈ বেছি অৰ্থ থকা শব্দটো হৈছে 'তন্ত্ৰ'। এই 'তন্ত্ৰ' শব্দটো শুনাৰ লগে লগে বহুত মানুহে উত্তেজিত হৈ পৰে। তথাকথিত উচ্চশিক্ষিত মানুহে তন্ত্ৰক 'কলা যাদু'ৰ বাহিৰত একো নাভাবে। এখনো তন্ত্ৰ গ্ৰন্থ অধ্যয়ন নকৰি বাৰে বাৰে তন্ত্ৰক আক্ৰমণ কৰি থকা বহুত মানুহক লগো পাইছো। তন্ত্ৰৰ 'পঞ্চমকাৰ'ৰ ইতিহাস আৰু তাৎপৰ্য্য গভীৰভাৱে অনুধাৱন নকৰি তন্ত্ৰক অশ্লীলতাৰ দায়েৰে অভিযুক্ত কৰে। ডাঙৰ ডাঙৰ মানুহৰ সভাত মদ্যপান আধুনিক শিক্ষিত সমাজে স্বীকাৰ কৰি লৈছে। কিন্তু এই শিক্ষিত মানুহসকলে তন্ত্ৰৰ মদ্যপান প্ৰথাক কঠোৰ ভাষাৰে সমালোচনা কৰে। তন্ত্ৰৰ পশুবলিক কঠোৰ ভাষাৰে সমালোচনা কৰা ব্যক্তিসকলে জধেমধে নিহত কুকুৰা আৰু ছাগলীৰ মাংস ভক্ষণ কৰি তৃপ্তি লাভ কৰে। পশু হত্যাৰ সমালোচনাকাৰীসকলৰ বহুতেই কন্যাভ্ৰূণ হত্যাৰ সাক্ষী আৰু সমৰ্থক । এই দ্বৈত চৰিত্ৰৰ উচ্চশিক্ষিত মানুহৰ মনত তন্ত্ৰসম্পৰ্কে এক ভ্ৰান্ত ধাৰণাৰ সৃষ্টি হোৱাৰ ফলত সমাজৰ বহুত ক্ষতিও হৈছে।

শাক্ত পৰিয়ালত জন্মগ্ৰহণ আৰু শাক্ত পৰিবেশত ডাঙৰ-দীঘল হোৱাৰ বাবে সৰুকালৰ পৰাই তন্ত্ৰৰ প্ৰতি মোৰ গভীৰ আগ্ৰহ জন্মে। মোৰ দেউতা গণিতজ্ঞ আৰু মাতৃসাধক। বিশ্ববিখ্যাত যাদুকৰ পি. সি. সৰকাৰ আছিল মোৰ দেউতাৰ সহপাঠী আৰু বন্ধু। বিদ্যালয়ৰ ছাত্ৰাৱস্থাৰ পৰাই দেউতাৰ অনুপ্ৰেৰণাত তন্ত্ৰসাহিত্য অধ্যয়ণ আৰম্ভ কৰিছিলো। মহাবিদ্যালয়, বিশ্ববিদ্যালয় আৰু তন্ত্ৰৰ পীঠস্থান মা কামাখ্যাৰ লীলাভূমি অসমলৈ মোৰ অপ্ৰত্যাশিত আগমনেই মোৰ উৎসাহ দুগুণে বঢ়ালে। ছাত্ৰাৱস্থাতেই মই জানিব পাৰিছিলো যে ভাৰতৰ কিংবদন্তী মহাপুৰুষ তথা মহানায়কসকলৰ প্ৰেক্ষাপট (Background) আছিল তন্ত্ৰ।

ভাৰতীয় জাতীয়তাবাদৰ জনক স্বামী বিবেকানন্দৰ আধ্যাত্মিক গুৰু দক্ষিণেশ্বৰ কালীমন্দিৰৰ পূজাৰী শ্ৰীশ্ৰীৰামকৃষ্ণ পৰমহংস এজন তান্ত্ৰিক সাধক আছিল।

আধুনিক ভাৰতৰ জনক ৰাজা ৰামমোহন ৰায় নিজেই এগৰাকী মুছলিম সাধিকাক নিজৰ শক্তি মনোনীত কৰি তন্ত্ৰ সাধনা কৰিছিল।

বিশ্বৰ বিভিন্ন দেশত তথা ভাৰতৰ সকলো ৰাজ্যত থকা অসাম্প্ৰদায়িক মানৱহিতৈষী সংগঠন ভাৰত সেৱাশ্ৰম সঙ্ঘৰ প্ৰতিষ্ঠাতা স্বামী প্ৰণৱানন্দ মহাৰাজ আছিল শিৱৰ অৱতাৰ। স্বয়ং শিৱই হৈছে তন্ত্ৰৰ প্ৰতিষ্ঠাতা।

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ মহানায়ক, আজাদ হিন্দ্ ফৌজৰ সৰ্বাধিনায়ক আৰু আজাদ হিন্দ চৰকাৰৰ ৰাষ্ট্ৰপতি নেতাজী সুভাষ চন্দ্ৰ বসুৰ আধ্যাত্মিক গুৰু বৰদাচৰণ মজুমদাৰ আছিল এজন তন্ত্ৰযোগী।

যিজনৰ দৰ্শন পৃথিৱীৰ প্ৰায় সকলো বিশ্ববিদ্যালয়তেই পাঠ্য সেই মহাত্মা ঋষি অৰবিন্দ নিজেই এজন তন্ত্ৰযোগী আছিল।

তন্ত্ৰ গৱেষণাৰ কালছোৱাত ভাৰতৰ বিভিন্ন বিশ্ববিদ্যালয় আৰু কলিকতাৰ জাতীয় গ্ৰন্থাগাৰত কেইখনমান ব্যতিক্ৰমী কিতাপ মোৰ হাতত পৰিল। বিস্ময়কৰ আৰু ৰহস্যপূৰ্ণ কিতাপবিলাকে মোৰ মানসিক জগতত আলোড়নৰ সৃষ্টি কৰিলে আৰু যীশুখ্ৰীষ্টৰ জীৱন সম্পৰ্কত ধুমুহা সৃষ্টিকাৰী তথ্য পোহৰলৈ আনিলে।

নিকোলাচ নটোভিচৰ অমৰ গ্ৰন্থ "The Unknown Life of Jesus Christ", জি. এল্. কলৰ বিখ্যাত গ্ৰন্থ "Kashmir Through the Ages" , ফেবাৰ কাইজাৰৰ "Jesus died in Kashmir", আৰ. কে. দাসৰ "Legends of Jagannath Puri", স্বামী ৰামতীৰ্থৰ "The Spiritual Power That Wins", শীৰ্ষক বক্তৃতাই যীশুখ্ৰীষ্ট্ৰৰ তন্ত্ৰযোগ সাধনাৰ গুপ্ত আৰু অকথিত কাহিনীয়ে হেজাৰ হেজাৰ মানুহৰ চিন্তাৰ পৰিৱৰ্ত্তন ঘটালে। ময়ো এক অনাৱিস্কৃত পৃথিৱীৰ সন্ধান পালো।

স্বামী ৰামতীৰ্থৰ বক্তব্যৰ এটা অংশ উদ্ধৃত কৰি এই প্ৰসংগত আলোচনাৰ পাতনি মেলিলো।

"Christ did not die when he was crucified........... He was in a state called samadhi..........christ, threw himself into that state for three days like a yogi come to life again, made his escape and come back to live in Kashmir"

যীশুখ্ৰীষ্টৰ জীৱনৰ ১৭ বছৰৰ কোনো তথ্য, বিৱৰণ নাইবা ইতিহাস কোনো বাইবেলতেই পোৱা নাযায়। তেৰ বছৰ বয়সত যীশুৱে জেৰুজালেম এৰি গোপনে কেইগৰাকীমান বেপাৰীৰ লগত ভাৰতলৈ আহিছিল। তেওঁ জগন্নাথ ধাম, কাশী ইত্যাদি তীৰ্থস্থানত হিন্দুশাস্ত্ৰ অধ্যয়ন কৰিছিল আৰু তন্ত্ৰযোগত আকৃষ্ট হৈছিল। বশিষ্ঠই সাধনা কৰা ঠাই তাৰাপীঠত আহি তন্ত্ৰসাধনা কৰিছিল। যীশুৱে হঠযোগত পাৰদৰ্শিতা অৰ্জন কৰিছিল আৰু "ঈশাই নাথ" নামেৰে জনাজাত হৈছিল।

প্ৰায় সোতৰ বছৰ ভাৰতবৰ্ষত থাকি আকৌ নাজাৰেথত তেওঁ উভতি যোৱাৰ লগে লগে ইহুদী সমাজৰ প্ৰাচীন পন্থী সকলে তেখেতৰ বিৰুদ্ধে ষড়যন্ত্ৰত লিপ্ত হৈছিল। অৱশেষত যীশুক বন্দী কৰা হ'ল। বিচাৰৰ নামত প্ৰহসন চলাই যীশুক ক্ৰুচবিদ্ধ কৰা হ'ল। যীশুৱে হঠযোগৰ জৰিয়তে প্ৰাণবায়ুক স্তব্ধ কৰি ৰাখিব পাৰিছিল। ইয়াৰ বাবেই ক্ৰুচবিদ্ধ অৱস্থাত তেখেতৰ মৃত্যু হোৱা নাছিল। তিনিদিনৰ পিছত সমাধিক্ষেত্ৰৰ (কৱৰৰ) পৰা উঠি গোপনে ভাৰতবৰ্ষলৈ আহিছিল। ক্ষত-বিক্ষত ঠাইবিলাকত ঔষধিৰ প্ৰলেপ আৰু প্ৰয়োগ কৰি সুস্থ হৈছিল। মা মেৰী আৰু শিষ্য টমাছক লগত লৈ দেৱভূমি কাশ্মীৰত উপস্থিত হৈছিল। ৩৩ বছৰৰ পৰা ৮০ বছৰলৈ কাশ্মীৰতেই বসবাস কৰিছিল।

শ্ৰীনগৰৰ ৰোজাবেল গীৰ্জাৰ সমাধিগৃহত তেখেতক সমাধি দিয়া হৈছিল। যীশুৱে ব্যৱহাৰ কৰা লাঠিডাল এতিয়াও কাশ্মীৰৰ শাহী হামদান মছজিদত সংৰক্ষিত আছে।◆

[লেখক দত্ত খাৰুপেটীয়া মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অৱসৰী মুৰব্বী অধ্যাপক। বৰ্তমান খাৰুপেটিয়াস্থিত এছ. এম. কলেজৰ অধ্যক্ষ]